**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১।	চাৰে ৪ লাখ কোটিৰো অধিক টকাৰ ২৭০ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰেৰে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সামৰণি।

২।	বিনিয়োগ সন্মিলনখনে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰকো উন্নতি বাটেৰে আগুৱাই নিব বুলি কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ূষ গোৱেলৰ মন্তব্য।

৩।	ফৌজদাৰী গোচৰত দোষী সাব্যস্ত ৰাজনৈতিক নেতাৰ বিৰুদ্ধে আজীৱন নিষেধাজ্ঞাৰ বিৰোধিতা কৰি কেন্দ্ৰীয় চৰকাৰৰ উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল।

৪।	অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত যোৰা নিশা মজলীয়া প্ৰাবল্যৰ ভূমিকম্প। **আৰু**

৫।	আফগানিস্তানৰ হাতত ৮ ৰাণত পৰাজয়ৰে ইংলেণ্ড আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ কালি সামৰণি পৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এডভাণ্টেজ আছামৰ প্ৰদৰ্শনী আজিৰে পৰা সাধাৰণ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হৈছে। এই বিনিয়োগ সন্মিলনত সৰ্বমুঠ চাৰে ৪ লাখ কোটি টকাতকৈ অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰা বুলি সন্মিলনৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। ইয়াৰে আঢ়ৈ লাখ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় ২৭০ খন বুজাবুজিৰ চুক্তি ইতিমধ্যে স্বাক্ষৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাত অসমৰ চাহ উদ্যোগৰ বিকাশৰ বাবে অভিলাষী আঁচনি গ্ৰহণ কৰা হ'ব বুলি কালি সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে। বিনিয়োগ সন্মিলনখনে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰকো উন্নতি বাটেৰে আগুৱাই নিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এইবাৰৰ বাজেটত ঘোষণা কৰা ৫০টা নতুন পৰ্যটন স্থান আৰু ১০টা ঔদ্যোগিক হাবৰ ক্ষেত্ৰত অসমে অগ্ৰাধিকাৰ পাব বুলি শ্ৰীগোৱেলে বিনিয়োগ সন্মিলনখনৰ সামৰণি অনুষ্ঠানত ঘোষণা কৰে।

**বাইট (পীয়ূষ গোৱেল)**

০০০০০০

এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণত অসমৰ ৩৫ খন জিলাত মুঠ ৫ হাজাৰ ৮৫১ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। গোলাঘাট জিলাত কালি প্ৰশাসনে বিনিয়োগকাৰী প্ৰতিষ্ঠানৰ

সৈতে ৩৪২ খন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। জিলাখনত ১৬৭ কোটি ২৫ লাখ টকা বিনিয়োগ কৰা হ'ব। কালি ইয়াৰে ৮৯ লাখ টকাৰ তিনিটা বিত্তীয় অনুমোদন মঞ্জুৰ কৰা হয়। কালি জিলা আয়ুক্তৰ উপস্থিতিত নিবনুৱা সংস্থাপন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, সাঁচি গছৰ খেতি, মীন পালনকে ধৰি কেইবাটাও খণ্ডৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। এই অনুষ্ঠানতে জিলা আয়ুক্তই মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ অধীনত মহিলা আত্ম-সহায়ক গোটসমূহক ১৫০ কোটি টকা অনুমোদন দিয়া হ'ব বুলি উল্লেখ কৰে।

লখিমপুৰ জিলাতো ৭১গৰাকী উদ্যোগীয়ে ৯৭ কোটি টকাৰো অধিক ধন বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ কৰা হয়। কালি জিলাখনৰ আয়ুক্তই ১১ গৰাকী উদ্যমীক ৪৭ লাখ ৭৮ হাজাৰ টকাৰ ঋণ বিতৰণ কৰে।

তিনিচুকীয়া জিলাত কালি ৪৩ গৰাকী বিনিয়োগকাৰীয়ে ১৮৬ কোটি ৮৯ লাখ টকা বিনিয়োগৰ বাবে চুক্তিত স্বাক্ষৰ কৰা হয়। কালি স্বাক্ষৰ হোৱা চুক্তি অনুসৰি নতুন উদ্যোগসমূহত এহেজাৰ ৮৬জন কৰ্মচাৰীৰ প্ৰত্যক্ষ নিযুক্তিৰ সুবিধা সৃষ্টি হ'ব। দুয়ো দিনৰ চুক্তি অনুসৰি দুহেজাৰ ২০০ তকৈও অধিক প্ৰত্যক্ষ সংস্থাপনৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

যোৰহাট জিলাতো কালি জিলা আয়ুক্তৰ উপস্থিতি ১৮ গৰাকী উদ্যোগীৰ সৈতে ৩৬ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ চুক্তিত স্বাক্ষৰ কৰা হয়।

০০০০০০

ভাৰতে পেট্ৰ'লৰ সৈতে মিহলি কৰা ইথানলৰ পৰিমাণ ২০ শতাংশতকৈও অধিক কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাত কালি সামৰণি পৰা বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশ ইতিমধ্যে ১৯ দশমিক ৬ শতাংশ ইথানল মিহলিৰ লক্ষ্যত উপনীত হৈছে। তেওঁ উন্নয়নমূলক প্ৰত্যাহ্বান সত্বেও দেশৰ জীৱাশ্ম ইন্ধন কোম্পানীসমূহে ২০৪৫ চনৰ ভিতৰত শূন্য কাৰ্বন নিস্কাষণৰ লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা আছে বুলি ভাষণত উল্লেখ কৰে।

অসমৰ শক্তি আন্তগাঁথনি সুদৃঢ়কৰণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ যোৱা বাৰৰ সংস্কৰণত পেট্ৰোলিয়াম মন্ত্ৰালয়ে বাৰাউনীৰ পৰা নুমলীগড়লৈ এহেজাৰ ৬০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গেছ গ্ৰীড সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰিছিল বুলি উল্লেখ কৰে। নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা ৯ নিযুত টনলৈ বৃদ্ধি পোৱা বুলি জানিবলৈ দি ডঃ শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীক বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধিৰ বাবেও আহ্বান জনায়। ইয়াৰ লগতে বিকল্প শক্তি উৎসৰ ক্ষেত্ৰতো অসমে প্ৰভূত বিকাশ সাধন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। যোৰহাটত সৌৰশক্তি ব্যৱহাৰেৰে দৈনিক ১০ কিলোগ্ৰাম সেউজ হাইড্ৰ'জেন উৎপাদন প্ৰকল্প আৰম্ভ হোৱাৰ বিষয়েও ডঃ শৰ্মাই কালি বিনিয়োগ সন্মিলনত উল্লেখ কৰে।

০০০০০০

ফৌজদাৰী গোচৰত দোষী সাব্যস্ত ৰাজনৈতিক নেতাৰ বিৰুদ্ধে আজীৱন নিষেধাজ্ঞাৰ বিৰোধিতা কৰি কেন্দ্ৰীয় চৰকাৰে কালি উচ্চতম ন্যায়ালয়ত এখন শপতনামা দাখিল কৰে। শপতনামাত চৰকাৰে এনেধৰণৰ দোষী সাব্যস্ত নেতাৰ বিৰুদ্ধে বৰ্তমানৰ ৬ বছৰৰ নিষেধাজ্ঞাই যথেষ্ট বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ফৌজদাৰী গোচৰত দোষী সাব্যস্ত নেতাৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ক্ষেত্ৰত আজীৱন নিষেধাজ্ঞা আৰোপৰ বাবে অনুৰোধ জনাই উচ্চতম ন্যায়ালয়ত

এগৰাকী অধিবক্তাই এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনত ফৌজদাৰী গোচৰত দোষী সাব্যস্ত নেতাক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত আজীৱন নিষেধাজ্ঞা আৰোপ কৰাৰ লগতে দেশৰ সাংসদ আৰু বিধায়কসকলৰ বিৰুদ্ধে বিচাৰাধীন  গোচৰসমূহৰ খৰতকীয়া নিষ্পত্তিৰ বাবে অনুৰোধ জনোৱা হৈছিল।  এই আবেদন সন্দৰ্ভত ন্যায়াধীশ দীপাংকৰ দত্ত আৰু ন্যায়াধীশ মনমোহনৰ বিচাৰপীঠে দুসপ্তাহ পূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ জাননী জাৰি কৰিছিল। এই আবেদনৰ বিৰোধিতা কৰি সৰ্বোচ্চ আদালতত দাখিল কৰা শপতনামাত কেন্দ্ৰীয় চৰকাৰে এই আবেদনৰ অনুৰোধ আইন পুনৰ প্ৰণয়ন কৰা নাইবা সংসদত বিশেষ ধৰণেৰে আইন প্ৰণয়ন কৰিবলৈ নিৰ্দেশ দিয়াৰ সমান বুলি উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে শপতনামাত লগতে এনেধৰণৰ অযোগ্যতা নিৰ্ধাৰণ কৰাৰ অধিকাৰ কেৱল সংসদৰহে আছে বুলি উল্লেখ কৰে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ক্ষেত্ৰত আজীৱন নিষেধাজ্ঞা আৰোপ কৰাটো অধিক কঠোৰ শাস্তি হ'ব বুলি চৰকাৰে উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে কয়, যে শাস্তি কাৰ্যকৰী হৈ থকাৰ সময়সীমা নিৰ্ধাৰণ কৰাটো অসাংবিধানিক নহয় আৰু ইয়াৰ দ্বাৰা আইন মানি চলাকে বুজায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন অংশত যোৱা পুৱতি নিশা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত এটা মজলীয়া প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। পুৱতি নিশা ২ বাজি ২৫ মিনিট ৩৫ ছেকেণ্ডত অহা এই ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৫ দশমিক ৩ আছিল বুলি ৰাষ্ট্ৰীয় ভূকম্পন বিজ্ঞান কেন্দ্ৰই জনাইছে। এই ভূমিকম্পৰ অভিকেন্দ্ৰ মধ্য অসমৰ মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ পৰা প্ৰায় দুই কিলোমিটাৰ দক্ষিণত আৰু দৰং জিলাৰ খাৰুপেটিয়াৰ প্ৰায় ১৭ কিলোমিটাৰ উত্তৰ-পূবত ব্ৰহ্মপুত্ৰৰ চাপৰি অঞ্চলত বুলি কোৱা হৈছে।

এই ভূমিকম্প সম্পৰ্কত আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকন আৰু দৰঙৰ সংবাদদাতা ময়ূখ গোস্বামীৰ সৈতে খন্তেক সময়ৰ আগতে কথা পাতিছিল।

**ঃ ভইচ ঃ**

উত্তৰ বংগ, চুবুৰীয়া ভূটান, বাংলাদেশ আৰু চীনতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০

দুদিনীয়া বিশাল আয়োজনেৰে এডভান্টেজ আচাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ কালি সন্ধিয়া সামৰণি পৰে। দেশ-বিদেশৰ প্ৰতিষ্ঠানে ২৬৮খন বুজাবুজিৰ চুক্তিৰ জড়িয়তে অসমত প্ৰায় চাৰে চাৰি লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিয়ে।এই বাতৰিটোৱে *অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, আমাৰ অসম, দৈনিক অসমকে* ধৰি প্ৰায়কেইখন কাকতত প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান লাভ কৰিছে। ভিজিআৰ গ্ৰুপে দুহেজাৰ কোটি টকা বিনিয়োগেৰে ৰামোজী ফিল্ম চিটীতকৈ আটকধুনীয়াকৈ অসমত ৫০০একৰ ভূমিত ফিল্ম চিটী প্ৰকল্প নিৰ্মাণ কৰিবলৈ দিয়া বিনিয়োগৰ প্ৰস্তাৱৰ বাতৰিটোক *নিয়মীয়া বাৰ্তা* কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ আভ্যন্তৰীণ জলপথৰ ৰূপান্তৰৰ বাবে ৪৮ শ কোটি টকাৰ বিনিয়োগ কৰা হ'ব বুলি কালি ঘোষণা কৰিছে। এই বাতৰিটো *The Assam Tribune* কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে । কেন্দ্ৰীয় পথ পৰিৱহণ মন্ত্ৰালয়ৰ জড়িয়তে অসমত ৮০হাজাৰ কোটি টকাৰে পথ, দলং, সুৰংগসপথ নিৰ্মাণ কৰা হব বুলি কালি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ঘোষণা কৰা বাতৰিটোক *The times of India* কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আজি প্ৰকাশিত কেইটামান অনান্য বাতৰি হৈছে- ছুডানত

সামৰিক বিমান দুৰ্ঘটনাত কমেও ৪৬ জনৰ মৃত্যু, মহাশিৱৰাত্ৰীৰ স্নানেৰে সামৰণি পৰিল প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাৰ, বিজেপিৰ প্ৰবীণ নেতা হৰেকৃষ্ণ ভৰালীৰ বিয়োগ, অসমতো হ'ব মেডান্টা ছুপাৰ স্পেচিয়েলিটি হাস্পতাল।

এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

আফগানিস্তানে যোৱানিশা লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শক্তিশালী দল ইংলেণ্ডক ৮ ৰানত পৰাস্ত কৰে।
এই ফলাফলৰ পাছত ইংলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। খেলখনত ইংলেণ্ডে ৩২৬ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ৪৯ অ'ভাৰ ৫টা বলত ৩১৭ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। দলটোৰ হৈ জ' ৰুটে ১২০ ৰাণ কৰে। আফগানিস্তানৰ আজমাতুল্লা ওমৰজাইয়ে পাঁচটা উইকটে দখল কৰে।

ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটত ৩২৫ ৰাণ কৰে। অ'পেনাৰ ইব্ৰাহিম জৰ্দানে ১৭৭ ৰাণ কৰি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসত সৰ্বাধিক ব্যক্তিগত ৰাণৰ অভিলেখ গঢ়ে। ইংলেণ্ডৰ জোফ্ৰা আৰ্চাৰে তিনিটা উইকেট দখল কৰে। প্ৰতিযোগিতাত আজি ৰাৱালপিণ্ডিত হ'বলগীয়া গ্ৰুপ পৰ্যায়ৰ এখন খেলত পাকিস্তান বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

০০০০০০

অসমীয়া চিনেমা ধাৰাবাহিকৰ অভিনেতা আৰু পৰিচালক মেহতাব হুছেইনৰ আজি গুৱাহাটীত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। প্ৰয়াত হুছেইনে পুলক গগৈৰ পৰিচালনাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰত নায়ক হিচাপে অভিনয় কৰিছিল। তেওঁ গুৱাহাটী দূৰদৰ্শনত প্ৰচাৰিত মিতাৰ তিতা-মিঠা শীৰ্ষক ৰাজ্যৰ প্ৰথমখন খুহুতীয়া ধাৰাবাহিক নিৰ্মাণ কৰিছিল।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বতাহ বলি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

তদুপৰি অহা ২৪ ঘণ্টাত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডত বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ কোনো কোনো অঞ্চলত পাতলীয়া বৰষুণ হ'ব পাৰে।

০০০০০০

অসমীয়া চিনেমা ধাৰাবাহিকৰ অভিনেতা আৰু পৰিচালক মেহতাব হুছেইনৰ আজি গুৱাহাটীত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। প্ৰয়াত হুছেইনে পুলক গগৈৰ পৰিচালনাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰত নায়ক হিচাপে অভিনয় কৰিছিল। তেওঁ গুৱাহাটী দূৰদৰ্শনত প্ৰচাৰিত মিতাৰ তিতা-মিঠা শীৰ্ষক ৰাজ্যৰ প্ৰথমখন খুহুতীয়া ধাৰাবাহিক নিৰ্মাণ কৰিছিল।

০০০০০০

সমাপ্ত